# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-11-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

কাজিৰঙাত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় মেলা কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাখন মুকলি কৰে। পৰ্যটন মেলাত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰ্যটন মন্ত্ৰীসকল উপস্থিত থাকে। উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰ চৰকাৰে অঞ্চলটোৰ পৰ্যটন আৰু আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া বুলি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীশেখাৱটে মন্তব্য কৰে। পৰ্যটন মেলাখন মুকলি কৰাৰ অন্তত এখন সংবাদমেল সম্বোধন কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে যোৱা ১০ বছৰত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে পুঁজি আৱণ্টন বৃদ্ধি কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনক দেশৰ বিকাশৰ বাবে অষ্টলক্ষ্মী আখ্যা দি অঞ্চলটোৰ উন্নয়নৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। **প্ৰধানমন্ত্ৰীৰ নিজৰ দেশখন চাওক** শীৰ্ষক উদ্যোগৰ বাবে যোৱাটো বৰ্ষত উত্তৰ-পূৰ্বাঞ্চললৈ ২৩ লাখ পৰ্যটক আহিছিল বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে উত্তৰ-পূৰ্বাঞ্চলক দক্ষিণ পূব এছিয়াৰ দুৱাৰডলি বুলি অভিহিত কৰি অঞ্চলটোৰ চুবুৰীয়া দেশসমূহৰ সৈতে ভাৰতৰ বান্ধোন অধিক শক্তিশালী কৰা বুলিও কয়। কাজিৰঙাত আয়োজিত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাই চহকী পৰ্যটন ক্ষেত্ৰ তথা সংস্কৃতিক বিশ্বৰ আগত তুলি ধৰি অঞ্চলটোক লাভান্বিত কৰিব বুলিও কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীশেখাৱটে উল্লেখ কৰে। একেটা অনুষ্ঠানতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, যে এই পৰ্যটন মেলাই উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন ক্ষেত্ৰক বিশ্বৰ পৰ্যটকক চিনাকী কৰি দি দেশৰ উন্নয়নত সহায় কৰিব। অসমৰ ঘৰুৱা পৰ্যটন ক্ষেত্ৰই যোৱাটো পৰ্যটন বৰ্ষত ৫৭৫ শতাংশ বৃদ্ধি হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

**বাইট (মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা)**

আনহাতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে যোৱা ১০ বছৰত ৰাজ্যখনৰ পৰ্যটন ক্ষেত্ৰখনৰ ২০০ শতাংশ বৃদ্ধি হোৱা বুলি প্ৰকাশ কৰে। চুবুৰীয়া ৰাজ্যখনৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ পৰ্যটন ক্ষেত্ৰৰ প্ৰচাৰ কৰাৰ বাবে সশস্ত্ৰ বাহিনীক বিশেষভাৱে ধন্যবাদ জনায়।

উল্লেখযোগ্য যে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ স্বীকৃতিপ্ৰাপ্ত কাজিৰঙাত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাখনৰ আয়োজন কৰিছে। এই মেলাই উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ লগতে বাণিজ্য তথা উদ্যোগসমূহকো ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় এখন মঞ্চ দিছে। মেলাখনত ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় ট্যুৰ অপাৰেটৰ, হোটেল ব্যৱসায়ী, পৰ্যটন সেৱা আগবঢ়োৱা প্ৰায় ৪০০ প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে।

ooooo

দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ ফলত আজিও সংসদৰ উভয় সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। প্ৰথমবাৰৰ বাবে ৰাজ্যসভাৰ কাম-কাজ স্থগিত ৰখাৰ পাছত দিনৰ চাৰে ১১ বজাত উচ্চ সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, বাওঁপন্থী দল, ডি এম কে, তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টি, আম আদমী পাৰ্টি আৰু আন কেইবাটাও দলে তেওঁলোকৰ দ্বাৰা উল্লেখিত বিষয়কেইটাৰ সন্দৰ্ভত সদনত সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ দাবী জনায়। সভাপতি জগদীপ ধনখড়ে এই দাবী প্ৰত্যাখান কৰাত বিৰোধী সদস্যসকলে ধ্বনি দিবলৈ আৰম্ভ কৰে আৰু সদনত হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হয়। সভাপতিৰ বাৰম্বাৰ অনুৰোধকো বিৰোধী সদস্যসকলে কৰ্ণপাত নকৰাত সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখাৰ কথা ধনখড়ে ঘোষণা কৰে। ইয়াৰ পূৰ্বে পুৱা সদন মিলিত হোৱাৰ সময়ত আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীটোৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগ, মণিপুৰৰ সংঘৰ্ষ আৰু উত্তৰ প্ৰদেশৰ চম্বলৰ ঘটনাৰ বাবে বিৰোধী পক্ষই সদন পৰিচালনাৰ ২৬৭ নম্বৰ নিয়মৰ অধীনত সভা স্থগিতকৰণৰ প্ৰস্তাৱৰ জাননী সভাপতিয়ে খাৰিজ কৰে। ইয়াকে লৈ বিৰোধী পক্ষৰ সাংসদসকলে হুলস্থুলীয়া পৰিস্থিতি অব্যাহত ৰখাৰ ফলত সদনৰ কাম-কাজ দিনৰ চাৰে ১১ বজালৈ স্থগিত ৰখা হয়।

লোকসভাতো আজি অনুৰূপ দাবীক লৈ বিৰোধী কংগ্ৰেছ, সমাজবাদী পাৰ্টি, ডি এম কে, তৃণমূল কংগ্ৰেছ আৰু অন্যান্য দলৰ সদস্যসকলে হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰে আৰু সেই সময়ত সদনৰ কাম-কাজ সভাপতিয়ে দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে। দিনৰ ১২ বজাত নিম্ন সদনৰ কাম-কাজ পুনৰ আৰম্ভ কৰা সময়তো কেইবাগৰাকীও বিৰোধী সদস্য সদনৰ মজিয়ালৈ উঠি আহি দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগ আৰু অন্যান্য বিষয়সমূহক লৈ ধ্বনি দিবলৈ আৰম্ভ কৰে। সদন পৰিচালনাৰ দায়িত্বত থকা সাংসদগৰাকীয়ে সদনৰ শৃংখলা ৰক্ষাৰ বাবে জনোৱা বাৰম্বাৰ আহ্বানক বিৰোধী পক্ষই কৰ্ণপাত নকৰাত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

ooooo

ধুবুৰী জিলাৰ বিলাসীপাৰাৰ সমীপৰ ৰাণীগঞ্জ বজাৰত যোৱা নিশা এটা বেংকৰ গ্ৰাহক সেৱা কেন্দ্ৰত কোনো অজ্ঞাত লোকে গুলীচালনা কৰে। এখন মটৰচাইকেলত অহা তিনিজন যুৱকে এটা বেংকৰ গ্ৰাহক সেৱা কেন্দ্ৰলৈ লক্ষ্য কৰি চলোৱা গুলীচালনাত গ্ৰাহক কেন্দ্ৰটোৰ স্বত্বাধিকাৰী আবেদুৰ ৰহমানৰ লগতে আন দুজন লোকো আহত হয়। তিনিজন লোক বৰ্তমান কোকৰাঝাৰত চিকিৎসাধীন হৈ আছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে গোটেই নিশা অভিযান চলাই দুজন যুৱকক কৰায়ত্ত কৰি সোধা-পোছা কৰিছে বুলি জানিব পৰা গৈছে। ধৃত যুৱক দুজনৰ পৰা এটা পিষ্টলৰ মেগ্‌জিন উদ্ধাৰ হৈছে। আৰক্ষীয়ে ঘটনাটোত ব্যৱহাৰ হোৱা মটৰচাইকেল এখনো লক্ষীগঞ্জৰ শুক্লাটাৰীৰ পৰা উদ্ধাৰ কৰিছে।

ooooo

সমাপ্ত